# ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯

## মাহভিত্তিক শৈক্ষিক দিনপঞ্জী

# জুন
## ২০২১



কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা

| সোম | মঙ্গল | বুধ | বৃহস্পতি | শুক্ৰ | শনি | ৰবি |
|---|---|---|---|---|---|---|
| | ১ শ্ৰেণী দিন | ২ শ্ৰেণী দিন | ৩ শ্ৰেণী দিন | ৪ শ্ৰেণী দিন | ৫ শ্ৰেণী দিন আৰু উদ্‌যাপন দিন (বিশ্ব পৰিৱেশ দিৱস) | ৬ বন্ধ দিন |
| ৭ শ্ৰেণী দিন | ৮ শ্ৰেণী দিন | ৯ শ্ৰেণী দিন | ১০ শ্ৰেণী দিন | ১১ শ্ৰেণী দিন | ১২ শ্ৰেণী দিন | ১৩ বন্ধ দিন |
| ১৪ শ্ৰেণী দিন | ১৫ শ্ৰেণী দিন | ১৬ শ্ৰেণী দিন | ১৭ শ্ৰেণী দিন | ১৮ শ্ৰেণী দিন | ১৯ শ্ৰেণী দিন | ২০ বন্ধ দিন আৰু উদ্‌যাপন দিন (কলাগুৰু বিষ্ণু ৰাভা দিৱস) |
| ২১ শ্ৰেণী দিন আৰু উদ্‌যাপন দিন (আন্তৰ্জাতিক যোগ দিৱস) | ২২ শ্ৰেণী দিন | ২৩ শ্ৰেণী দিন | ২৪ শ্ৰেণী দিন | ২৫ শ্ৰেণী দিন | ২৬ শ্ৰেণী দিন | ২৭ বন্ধ দিন |
| ২৮ শ্ৰেণী দিন | ২৯ শ্ৰেণী দিন | ৩০ শ্ৰেণী দিন | | | | |

## নিম্ন প্ৰাথমিক শ্ৰেণী (প্ৰথমৰপৰা পঞ্চম)

### শ্ৰেণী অনুযায়ী পাঠ বিতৰণ

| বিষয় | প্ৰথম | দ্বিতীয় | তৃতীয় | চতুৰ্থ | পঞ্চম |
|---|---|---|---|---|---|
| অসমীয়া (ভাষা-১) | মেকুৰী আৰু কাউৰীৰ মিতিৰালি (পাঠ নং-৩) | অৰণ্যত দীপু (পাঠ নং-৩) | ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা (পাঠ নং-৩) | কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা (পাঠ নং-৩) | অৰূপৰ আৱেদন (পাঠ নং-৩) |
| গণিত | আকৃতি (পাঠ নং-৩) | ত্ৰিমাত্ৰিক আকৃতি (পাঠ নং-৩) | সময় (পাঠ নং-৩) | দৈৰ্ঘ্য (পাঠ নং-৩) | ■ কালি আৰু পৰিসীমা (পাঠ নং-৩) ■ গুণিতক আৰু উৎপাদক (পাঠ নং-৪) |
| ইংৰাজী (ভাষা-২) | My Family (Lesson No-2) | A Beautiful Butterfly (Lesson No-2) | Two Friends and a Bear (Lesson No-2) | Who has seen the Wind? (Lesson No-3) | Bird Talk (Lesson No-3) |
| পৰিৱেশ অধ্যয়ন | —— | —— | ■ প্ৰাণীৰ বাসস্থান (পাঠ নং-৩) ■ বিচিত্ৰ প্ৰাণী (পাঠ নং-৪) | ■ পানী (পাঠ নং-৩) ■ ৰাষ্ট্ৰীয় দিৱস (পাঠ নং-৪) | ■ অসমৰ সংস্কৃতি (পাঠ নং-৩) ■ প্ৰাকৃতিক সম্পদ (পাঠ নং-৪) |

প্ৰথমৰপৰা পঞ্চম শ্ৰেণীলৈ নিম্নলিখিত ক্ৰিয়া-কলাপসমূহ শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ স্তৰ অনুযায়ী মাহটোৰ পাঠৰ লগত সংগতি ৰাখি অনুশীলন কৰাব।

### স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা সম্বন্ধীয় ক্ৰিয়া-কলাপ

- ভাৰসাম্য ৰক্ষাৰ ব্যায়াম কৰিব।
- খোৱাৰ আগত আৰু খোৱাৰ পাচত চাবোনেৰে হাত ধোৱাৰ ব্যৱস্থা কৰিব।

### কলা আৰু শিল্পশিক্ষা সম্বন্ধীয় ক্ৰিয়া-কলাপ

- মাটি আৰু কাগজেৰে বিভিন্ন আকৃতি প্ৰস্তুত কৰিব।
- পেলনীয়া সামগ্ৰী যেনে- ৰঙৰ টেমা,প্লাষ্টিকৰ বটল, মগ, কাপ আৰু অন্যান্য বস্তুৰ দ্বাৰা টাব প্ৰস্তুত কৰি ফুলৰ পুলি ৰুব।








## উদ্‌যাপন দিৱস আৰু অন্যান্য কাৰ্যাৱলী

**২১-২৯ জুনঃ** প্ৰথম গোট মূল্যায়ন । আগষ্ট মাহৰ প্ৰথম সপ্তাহত ছাত্ৰ-ছাত্ৰীৰ মূল্যায়নৰ খতিয়ান অভিভাৱকৰ লগত আলোচনা কৰিব।

- প্ৰথম গোট মূল্যায়নৰ প্ৰশ্নকাকতসমুহ ১৪ জুন তাৰিখৰ ভিতৰত প্ৰধান শিক্ষকৰ ওচৰত জমা দিব লাগিব।

**৫ জুন ঃ** ● প্ৰাতঃসভাত বিশ্ব পৰিৱেশ দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰিব। পৰিৱেশৰ ভাৰসাম্য ৰক্ষাৰ বাবে গছ-গছনিৰ প্ৰয়োজনীয়তা সম্পৰ্কে ছাত্ৰ-ছাত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিব।

- পূৰ্ব প্ৰস্তুতিৰে বিদ্যালয় চৌহদত বৃক্ষৰোপণৰ কাৰ্যসূচী ৰূপায়ণ কৰিব ।
- পৰিৱেশ সংৰক্ষণ, প্ৰদূষণ হ্ৰাসকৰণ আদি বিষয়ত ৰচনা লিখা, কবিতা লিখা, আকস্মিক বক্তৃতা আদি অনুষ্ঠিত কৰিব।

**২০ জুন ঃ** প্ৰাতঃসভাত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰতিমূৰ্তিত/আলোকচিত্ৰত শ্ৰদ্ধাঞ্জলি জনাব। দুটা পিৰিয়ডৰ পাঠদান হোৱাৰ পাচত বিদ্যালয়ত তেখেতৰ জীৱন দৰ্শনৰ আলোচনা, গীত-মাত চৰ্চাৰ আয়োজন কৰিব।

**২১ জুন ঃ** যোগ দিৱসত ছাত্ৰ-ছাত্ৰীক যোগাসন কৰাব আৰু যোগ দিৱসৰ সভা পাতি যোগৰ তাৎপৰ্য ব্যাখ্যা কৰিব। যোগাসনৰ দ্বাৰা মানসিক আৰু শাৰিৰীক ক্ষমতা বৃদ্ধি কৰাৰ লগতে পৰিৱেশ আৰু পাৰিপাৰ্শ্বিকতাৰ ভাৰসাম্য ৰক্ষা কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীক দৈনন্দিন জীৱনত আগুৱাই যোৱাৰ বাবে উৎসাহিত কৰিব ।

**৩০ জুন** অৰ্থাৎ গৰম বন্ধৰ আগদিনা বন্ধৰ সময়খিনি সদ্ ব্যৱহাৰ কৰাৰ অৰ্থে ছাত্ৰ-ছাত্ৰীক কিছু গৃহ কাম, প্ৰকল্প আদি কৰিবলৈ দিব। কাৰ্যসমুহৰ বিৱৰণ জুলাই মাহৰ পৃষ্ঠাত উল্লেখ কৰা হৈছে ।

প্ৰকৃত শ্ৰেণী দিন ঃ ২৬
ৰবিবাৰ ঃ ৪
আন বন্ধৰ দিন ঃ ০
মাহটোৰ মুঠ দিন ঃ ৩০
(মাহটোৰ উদ্‌যাপন দিনৰ সংখ্যা ঃ ৩)

- শিক্ষকে প্ৰতিটো শ্ৰেণীৰ প্ৰতিটো বিষয়ৰ 'আকাংক্ষিত শিকন ফলাফল' অনুসৰি পাঠদান প্ৰক্ৰিয়া পৰিচালনা কৰিব ।
- বিশেষভাৱে সক্ষম শিশুৰ ক্ষেত্ৰত শিক্ষকে পাঠসমুহ তেওঁলোকৰ অনুকূলে সজাই লৈ পাঠদান কৰিব।
- ঘৰ বা বিদ্যালয় পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাৰ লগতে চুবুৰী আৰু চৌপাশ পৰিষ্কাৰ কৰি ৰখাৰ দায়িত্ব আনৰ লগতে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়েও পালন কৰিব।
- ৰাস্তাত খোজ কাঢ়োঁতে বা পাৰ হওঁতে নিজে সাৱধান হোৱাৰ লগতে শিশু, বৃদ্ধ আৰু বিশেষভাৱে সক্ষম ব্যক্তিক সহায় কৰাটো আমাৰ দায়িত্ব আৰু কৰ্তব্য।
- বিদ্যালয়ৰ স্বাস্থ্য বিধিসন্মত ব্যৱস্থাৱলীৰ তদাৰক কৰিবলৈ ছাত্ৰ সংসদৰ পৰা এজন বা ততোধিক ছাত্ৰ প্ৰতিনিধি নিযুক্ত কৰিব যাতে প্ৰতিখন বিদ্যালয়ৰ স্বচ্ছতা অটুত থাকে। এইক্ষেত্ৰত ছাত্ৰ প্ৰতিনিধিৰ দায়িত্ব সময়ে সময়ে সলনি কৰিব।



## উচ্চ প্ৰাথমিক শ্ৰেণী (ষষ্ঠৰপৰা অষ্টম)

### শ্ৰেণী অনুযায়ী পাঠ বিতৰণ

| বিষয় | ষষ্ঠ | সপ্তম | অষ্টম |
|---|---|---|---|
| অসমীয়া (ভাষা-১) | ■ অসমীয়া ভাষাৰ বিকাশৰ কথা (পাঠ নং-৩) ■ বিহু আদৰণি (পাঠ নং-৪) | ■ পণ্ডিত আনন্দৰাম বৰুৱা (পাঠ নং-৩) ■ জনমভূমি (পাঠ নং-৪) | ■ এন্ ফ্ৰাঙ্কৰ ডায়েৰি (পুনঃ) (পাঠ নং-৩) ■ জাগা জননীৰ সন্তান (পাঠ নং-৪) |
| গণিত | জ্যামিতিৰ মৌলিক ধাৰণাসমূহ (পাঠ নং-৩) | তথ্যৰ ব্যৱহাৰ (পাঠ নং-৩) | ■ চতুৰ্ভুজ (পাঠ নং-৩) ■ ব্যৱহাৰিক জ্যামিতি (পাঠ নং-৪) |
| ইংৰাজী (ভাষা-২) | Tom Sawyer (R) (Lesson-2) | Uruka Adventure (R) (Lesson-2) | My Native Land (R) (Lesson-2) |
| বিজ্ঞান | পদাৰ্থসমূহৰ শ্ৰেণী বিভক্তকৰণ (পাঠ নং-৪) | ■ তাপ (পাঠ নং-৪) ■ অম্ল, ক্ষাৰক আৰু লৱণ (পাঠ নং-৫) | ■ সাংশ্লেষিক আঁহ আৰু প্লাষ্টিক (পুনঃ) (পাঠ নং-৩) ■ পদাৰ্থ ঃ ধাতু আৰু অধাতু (পাঠ নং-৪) |
| সমাজ বিজ্ঞান | ■ কি, ক'ত, কেতিয়া আৰু কেনেকৈ (ই) (পাঠ নং-১) ■ আমাৰ মৌলিক প্ৰয়োজনসমূহ (অ. বি) (পাঠ নং-১২) | ■ গুপ্ত সাম্ৰাজ্যৰ উত্থান (ই) (পাঠ নং-১১) ■ আমাৰ চৌপাশৰ বজাৰ (অ. বি) (পাঠ নং-১৮) | ■ মধ্যযুগৰ অসম (ই) (পাঠ নং-১০) ■ মানৱ সম্পদ উন্নয়ন, মানৱ সম্পদ উন্নয়নৰ নিৰ্দেশক আৰু মানৱ সম্পদ উন্নয়নত বৃত্তিমূলক শিক্ষাৰ ভূমিকা (অ. বি) (পাঠ নং-১৭) |
| হিন্দী (ভাষা-৩) | धरती माता का पत्र (पाठ-4) | मेरी राजस्थान यात्रा (पाठ-4) | मैडम मेरी क्यूरी (पाठ-3) |

ষষ্ঠৰপৰা অষ্টম শ্ৰেণীলৈ নিম্নলিখিত ক্ৰিয়া-কলাপসমূহ শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ স্তৰ অনুযায়ী মাহটোৰ পাঠৰ লগত সংগতি ৰাখি অনুশীলন কৰাব।

### কৰ্মশিক্ষা সম্বন্ধীয় ক্ৰিয়া-কলাপ

- **চিলাই কামঃ** ৰুমাল, বুটাম ঘাত, টেবুল ক্লথ, শৰাই ঢাকনী, কাপোৰৰ বেগ আদি প্ৰস্তুত কৰিবলৈ শিকিব।
- **বাঁহৰ কামঃ** বিচনী, ডলা, ঢাৰি, স্কেল, জেওৰা আদি প্ৰস্তুত কৰিব।

### স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা সম্বন্ধীয় ক্ৰিয়া-কলাপ

- ফুটবল, কাবাদী, খো-খো, দীঘল জাঁপ, ওখ জাঁপ আদি খেলিব।
- খোৱাৰ আগত আৰু খোৱাৰ পাচত চাবোনেৰে হাত ধোৱাৰ ব্যৱস্থা কৰিব।

### কলাশিক্ষা সম্বন্ধীয় ক্ৰিয়া-কলাপ

ৰঙীন কাগজ আদিৰ সহায়ত ক'লাজ প্ৰস্তুত কৰিব।









- শৈক্ষিক দিনপঞ্জীত মাহ অনুযায়ী পাঠ বিতৰণ কৰি দিয়া হৈছে । প্ৰতিটো গোট মূল্যায়নৰ আগতে বিষয় অনুযায়ী নিৰ্ধাৰিত পাঠসমূহ শিক্ষকে নিজৰ নিজৰ সুবিধা অনুসৰি সমাপ্ত কৰিব লাগিব।
- জুন মাহত প্ৰকৃততে সম্পাদন হোৱা শ্ৰেণী দিনৰ সংখ্যা ☐ বাকচত উল্লেখ কৰিব। যদিহে এই সংখ্যা উল্লিখিত দিনতকৈ কম হয় তেনেহ'লে শিক্ষকে নিজৰ সুবিধা অনুযায়ী শ্ৰেণীদিন সম্পূৰ্ণ কৰিব লাগিব।

# ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯

## মাহভিত্তিক শৈক্ষিক দিনপঞ্জী

## জুলাই ২০২১

| সোম | মঙ্গল | বুধ | বৃহস্পতি | শুক্ৰ | শনি | ৰবি |
|---|---|---|---|---|---|---|
| | | | ১ গ্ৰীষ্ম বন্ধ | ২ গ্ৰীষ্ম বন্ধ | ৩ গ্ৰীষ্ম বন্ধ | ৪ গ্ৰীষ্ম বন্ধ |
| ৫ গ্ৰীষ্ম বন্ধ | ৬ গ্ৰীষ্ম বন্ধ | ৭ গ্ৰীষ্ম বন্ধ | ৮ গ্ৰীষ্ম বন্ধ | ৯ গ্ৰীষ্ম বন্ধ | ১০ গ্ৰীষ্ম বন্ধ | ১১ গ্ৰীষ্ম বন্ধ (বিশ্ব জনসংখ্যা দিৱস) |
| ১২ গ্ৰীষ্ম বন্ধ | ১৩ গ্ৰীষ্ম বন্ধ | ১৪ গ্ৰীষ্ম বন্ধ | ১৫ গ্ৰীষ্ম বন্ধ | ১৬ গ্ৰীষ্ম বন্ধ | ১৭ গ্ৰীষ্ম বন্ধ | ১৮ গ্ৰীষ্ম বন্ধ |
| ১৯ গ্ৰীষ্ম বন্ধ | ২০ গ্ৰীষ্ম বন্ধ | ২১ গ্ৰীষ্ম বন্ধ (ঈদ-উজ-জোহা) | ২২ গ্ৰীষ্ম বন্ধ | ২৩ গ্ৰীষ্ম বন্ধ | ২৪ গ্ৰীষ্ম বন্ধ | ২৫ গ্ৰীষ্ম বন্ধ |
| ২৬ গ্ৰীষ্ম বন্ধ | ২৭ গ্ৰীষ্ম বন্ধ | ২৮ গ্ৰীষ্ম বন্ধ | ২৯ গ্ৰীষ্ম বন্ধ | ৩০ গ্ৰীষ্ম বন্ধ | ৩১ গ্ৰীষ্ম বন্ধ | |



বছৰটোৰ মুঠ শ্ৰেণীদিন একে ৰাখি কৰ্তৃপক্ষৰ পূৰ্ব অনুমতি সাপেক্ষে বৰাক উপত্যকাত ১ৰ পৰা ৫ জুলাইলৈ শ্ৰেণীদিন হিচাপে গণ্য কৰি সমান সংখ্যক দিন পূজা বন্ধৰ লগত মিলাই ল'ব।

### গ্ৰীষ্ম বন্ধত কৰিবলগীয়া কাম


#### নিম্ন প্ৰাথমিক শ্ৰেণী (প্ৰথমৰপৰা পঞ্চম)

শিক্ষকে জুন মাহৰ শেষৰ শ্ৰেণী দিনটোত এই স্তৰৰ ছাত্ৰ-ছাত্ৰীসকলক বন্ধৰ সময়ছোৱাত ঘৰত বিভিন্ন ধৰণৰ শিক্ষণ-শিকন সামগ্ৰী প্ৰস্তুত কৰিবলৈ দিব।

যেনে-

- বৰ্ণ কাৰ্ড, সংখ্যা কাৰ্ড, ছবি কাৰ্ড, প'ষ্টাৰ আদি
- মাটিৰ সহায়ত বিভিন্ন বস্তুৰ আকৃতি
- কাগজৰ সহায়ত খাম, গ্ৰীটিংচ কাৰ্ড, ফুল আদি
- ভাল লগা বিষয়ৰ চিত্ৰাংকন
- ভাল লগা পদ্য, গীত, মাত আদিৰ অনুশীলন

*প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে মাটি অথবা অন্য পাত্ৰত একোটিকৈ গছপুলি ৰোপণ কৰি লালন-পালন কৰিব। গ্ৰীষ্ম বন্ধ খোলাৰ দিনা গছপুলিটো বিদ্যালয়লৈ লৈ আনিব আৰু প্ৰতিদিনে তাৰ যত্ন ল'ব।*







### শিক্ষক, অভিভাৱক, সমাজৰ সক্ৰিয় ব্যক্তিৰ কৰণীয়

- শিক্ষক, পিতৃ-মাতৃ, অভিভাৱক তথা সমাজৰ সক্ৰিয় ব্যক্তিৰ তত্বাৱধানত স্থানীয়ভাৱে কৰা পৰিকল্পনাৰ আধাৰত ভ্ৰমণ/শিক্ষামূলক ভ্ৰমণ তথা পৰিয়াল--কেন্দ্ৰিক ভ্ৰমণৰ ব্যৱস্থা গ্ৰহণ কৰিব।
- ছাত্ৰ-ছাত্ৰীসকলক পিতৃ-মাতৃ তথা অভিভাৱকক দৈনন্দিন কাম-কাজত সহায় কৰাৰ প্ৰতি উৎসাহিত হ'বলৈ অনুপ্ৰাণিত কৰিব।
- সেই সময়ত অনুষ্ঠিত সামাজিক উৎসৱ-পাৰ্বণ তথা অন্যান্য অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰিব। ঘৰত কৰিবলৈ দিয়া প্ৰকল্প তথা অন্যান্য কাৰ্যসমূহ সম্পূৰ্ণ কৰাটো নিশ্চিত কৰিব।
- উল্লিখিত ভিন ভিন ভ্ৰমণ কাৰ্যসূচীৰ ওপৰত একোটি ভ্ৰমণ টোকা প্ৰস্তুত কৰিবলৈ দিব।

| | |
|---|---|
| প্ৰকৃত শ্ৰেণী দিন ঃ (বৰাক উপত্যকাৰ বাহিৰে) | ০ |
| ৰবিবাৰ ঃ | ৪ |
| গ্ৰীষ্ম বন্ধৰ দিন ঃ (বৰাক উপত্যকাৰ বাহিৰে) | ২৭ |
| মাহটোৰ মুঠ দিন ঃ | ৩১ |





### গ্ৰীষ্ম বন্ধত কৰিবলগীয়া কাম

#### উচ্চ প্ৰাথমিক শ্ৰেণী (ষষ্ঠৰপৰা অষ্টম)

শিক্ষকে জুন মাহৰ শেষৰ শ্ৰেণী দিনটোত এই স্তৰৰ ছাত্ৰ- ছাত্ৰী সকলক বন্ধৰ সময়ছোৱাত ঘৰত বিভিন্ন ধৰণৰ লেখা-মেলা কৰিবলৈ আৰু শিক্ষণ-শিকন সামগ্ৰী প্ৰস্তুত কৰিবলৈ দিব।

যেনে-

- ভ্ৰমণ কাহিনী, গল্প, কবিতা আদি
- বাঁহ-বেতৰ বিভিন্ন সামগ্ৰী
- ৰুমাল, টেবুল ক্লথ, এমব্ৰইদাৰী আদি
- বিভিন্ন ধৰণৰ মুখা, ফাইল ক'ভাৰ আদি
- ভাল লগা বিষয়ৰ ওপৰত প'ষ্টাৰ, বেনাৰ, শ্লʼগান আদি
- ভাল লগা বিষয়ৰ চিত্ৰাংকন

*প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে মাটি অথবা অন্য পাত্ৰত একোটিকৈ গছপুলি ৰোপণ কৰি লালন-পালন কৰিব। গ্ৰীষ্ম বন্ধ খোলাৰ দিনা গছপুলিটো বিদ্যালয়লৈ লৈ আনিব আৰু প্ৰতিদিনে তাৰ যত্ন ল'ব।*

